**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-SEP-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ৭৫ সংখ্যক জন্মদিন সেৱা দিৱস হিচাপে উদযাপন। অসমত সেৱা সপ্তাহৰ কাৰ্যসূচীত ৩০ লক্ষাধিক গছপুলি বিতৰণৰ ব্যৱস্থা।

২। ভদীয়া বানত ৰাজ্যৰ ছখন জিলাৰ ২২ হাজাৰ লোক প্ৰভাৱিত। বানৰ ফলত দুজন লোকৰ মৃত্যু।

৩। বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ দুটা দিন বাকী থকা অৱস্থাত প্ৰচাৰ অভিযান তুংগত। কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি।

৪। নুমলীগড় শোধনাগাৰৰ বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্পৰ বাবে এক কোটি টকা মূল্যৰ বাঁহ ক্ৰয়। *আৰু*

৫। কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্বখনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা-ভক্তিৰে উদযাপন।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ৭৫ সংখ্যক জন্মদিন। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই উপলক্ষে নতুন দিল্লীৰ ত্যাগৰাজ ষ্টেডিয়ামত  আজি ১৫ খন গুৰুত্বপূৰ্ণ আঁচনি মুকলি কৰিব। এই সমূহৰ ভিতৰত মহাবিদ্যালয় পৰ্যায়ৰ দৃষ্টিহীন কন্যা শিক্ষাৰ্থীসকলৰ বাবে অটল দৃষ্টি ছাত্ৰীবাস, বৌদ্ধিকভাৱে দিব্যাংগ ব্যক্তিসকলৰ বাবে অটল আশাগৃহ আৰু জ্যেষ্ঠ নাগৰিকসকলৰ বাবে সাবিত্ৰীবাঈ ফুলে গৃহ আঁচনি অন্যতম। **সেৱা পৰ্ব** কাৰ্যসূচীৰ অংশ হিচাপে এই আঁচনিসমূহ মুকলি কৰা হ'ব। প্ৰধানমন্ত্ৰীগৰাকীৰ জন্মদিন উপলক্ষে স্বনামধন্য সংগীত শিল্পী আশা ভোচলেই এইদৰে শুভেচ্ছা জ্ঞাপন কৰে।

**বাইট (আশা)**

কেন্দ্ৰীয় তথ্য আৰু প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তেওঁৰ ৭৫ বছৰীয়া জন্মদিন উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীবৈষ্ণৱে কয়, যে প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতত নতুন দিশ, নতুন প্ৰেৰণা আৰু নতুন শক্তি প্ৰদান কৰিছে।

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে প্ৰধানমন্ত্ৰী মোদীক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমযোগে শ্ৰীমোদীয়ে এই কথা সদৰি কৰে।

বিশিষ্ট সংগীত শিল্পী অনুপ জলোটাই প্ৰধানমন্ত্ৰীক শুভেচ্ছা জনায়

**বাইট (অনুপ)**

প্ৰধানমন্ত্ৰীগৰাকীৰ জন্মদিন উপলক্ষে দেশৰ বিভিন্ন স্থানৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্ততো ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জন্মদিন উপলক্ষে ৰাজ্য চৰকাৰে ৩০ লক্ষাধিক গছপুলি বিতৰণৰ পৰিকল্পনা হাতত লৈছে। ৰাজ্যৰ প্ৰতিখন বিদ্যালয়ত ২৫ টাকৈ গছপুলি ৰোপণ কৰাৰ লগতে কাৰ্যালয় চৌহদ, ৰাজহুৱা স্থানতো গছপুলি ৰোপণৰ কাৰ্যসূচী হাতত লোৱা হৈছে। প্ৰধানমন্ত্ৰীৰ ৭৫ সংখ্যক জন্মদিনটো ৰাজ্য চৰকাৰে প্ৰকৃতি, সেৱা আৰু বহনক্ষমতাৰ হকে উচৰ্গা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

প্ৰধানমন্ত্ৰীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি ভাৰতীয় জনতা পাৰ্টীৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত কাইলৈ জিলাভিত্তিক প্ৰাইজমানি মাৰাথান দৌৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। চৌকিদিঙি খেলপথাৰৰ পৰা আৰম্ভ হৈ আমোলাপট্টি চাৰিআলি হৈ ফুলবাগান, থানা চাৰিআলি, অ'ভাৰব্ৰীজ হৈ পুনৰ চৌকিদিঙি খেলপথাৰত সামৰণি পৰিব।

০০০০০০

ৰাজ্যত এইবাৰৰ বানত ছখন জিলাৰ ২২ হাজাৰৰো অধিক লোক প্ৰভাৱিত হৈছে। বানৰ ফলত ৪ হেজাৰ হেক্টৰৰো অধিক কৃষিভূমিৰ শস্য নষ্ট হৈছে। দিখৌ, দিচাং, ধনশিৰি, বৰাক আৰু কুছিয়াৰাকে ধৰি ৰাজ্যখনৰ মাজেৰে বৈ যোৱা কেইবাখনো নৈৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে। ৰাজ্যিক ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা মতে, বিভিন্ন স্থানত স্থাপন কৰা ১১৩ টা আশ্ৰয় শিবিৰ আৰু সাহায্য বিতৰণ কেন্দ্ৰত প্ৰায় ৭ হাজাৰ লোকে আশ্ৰয় লৈ আছে। চৰকাৰে উদ্ধাৰ অভিযানৰ কামত ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনীৰ দল নিয়োগ  কৰিছে।

চুবুৰীয়া ৰাজ্য নাগালেণ্ডত হোৱা ধাৰাসাৰ বৰষুণ আৰু নীপকোৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াৰ ফলত গোলাঘাট জিলাৰ বিভিন্ন অঞ্চলত বানত বুৰ গৈছে। ধনশিৰি আৰু দৈয়াং নৈৰ লগতে উপনৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত জিলাখনৰ বিভিন্ন ঠাই বানৰ কবলত পৰিছে। জিলাখনত যোৱা ২৪ ঘণ্টাত বানৰ ফলত দুজন লোকে প্ৰাণ হেৰুৱাইছে। বানপীড়িতসকলৰ বাবে জিলা প্ৰশাসনে ১৫টা আশ্ৰয় শিবিৰ মুকলি কৰিছে। সম্ভাব্য বানৰ প্ৰতি লক্ষ্য ৰাখি গোলাঘাট, মৰঙী, খুমটাই, দেৰগাঁও, সৰুপথাৰ আৰু বোকাখাত ৰাজহ চক্ৰৰ অন্তৰ্গত নৈপৰীয়া ৰাইজক সজাগ হৈ থাকিবলৈ জিলা প্ৰশাসনে সকিয়াই দিছে। জৰুৰীকালীন সময়ত উদ্ধাৰ কাৰ্যৰ বাবে ০৩৭৭৪-২৮৩২৮২ নম্বৰত যোগাযোগ কৰিবলৈ গোলাঘাট জিলা প্ৰশাসনে আহ্বান জনাইছে। উল্লেখযোগ্য যে ধনশিৰি নৈৰ বাঢ়নী পানীয়ে নুমলীগড়, খুমটাই, সৰুপথাৰ, গোলাঘাট আদি অঞ্চলৰ লগতে কুৰিখনৰো অধিক গাঁও জলমগ্ন কৰি তুলিছে।

জিলা আয়ুক্ত পুলক মহন্তই কালি সীমান্ত দণ্ডাধীশৰ সৈতে গোলাঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত ইটানগৰটোপ অঞ্চলত বান পৰিস্থিতিৰ বুজ লয়। বানপীড়িত ৰাইজৰ অৱস্থাৰ বুজ লৈ আয়ুক্তগৰাকীয়ে এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ উদ্ধাৰ অভিযান পৰিদৰ্শন কৰে। জিলাখনত আটাইকেইটা ৰাজহচক্ৰতে চক্ৰ বিষয়াসকলেও আশ্ৰয় শিবিৰসমূহত উপস্থিত হৈ বান ক্ষতিগ্ৰস্ত ৰাইজৰ অভাৱ অভিযোগৰ বুজ লয়। জিলাখনৰ বান পৰিস্থিতি সন্দৰ্ভত আমাৰ সংবাদদাতা হিৰণ্য গগৈয়ে জানিবলৈ দিয়ে –

**ভইচকাষ্ট**

ইফালে, ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰতো চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ বমদিলা আৰু টাৱাং জিলাত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত পাহাৰীয়া নৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ভৈয়াম অঞ্চলত বানৰ সৃষ্টি হৈছে। বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৱৰ্তী কেইবাখনো গাঁও বাঢ়নি পানীয়ে বুৰাই পেলাইছে।

একেদৰে গহপুৰ সমজিলাৰ মাজেৰে বৈ যোৱা ব্ৰহ্মাজান আৰু ছত্ৰং নৈৰ বাঢ়নি পানীয়ে কালি বিস্তীৰ্ণ অঞ্চল বুৰাই পেলায়। শোণিতপুৰ জিলাৰ নদুৱাৰ বিধানসভা সমষ্টিৰ চাৰিদুৱাৰৰ অন্তৰ্গত বাকোলা, বাকোলাপথাৰ, আমলগা, ভালুকমাৰী, বুঢ়াগাঁও, দলংবস্তিকে ধৰি কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে। প্ৰথমবাৰৰ বাবে গামানি ছপানলা গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। বিধায়ক পদ্ম হাজৰিকাই কালি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়।

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী কেইটামান দিনত ৰাজ্যখনৰ অধিকাংশ ঠাইত বিজুলী-ঢেৰেকনিৰে মজলীয়াৰ পৰা ধাৰাষাৰ বৰষুণ হ'ব বুলি আগলি বতৰা দিছে। ৰাজ্য চৰকাৰে নাগৰিকসকলক অহা ২-৩ দিনলৈ সতৰ্ক হৈ থাকিবলৈ আৰু প্ৰয়োজনীয় সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাথো দুটা দিন বাকী থকা অৱস্থাত প্ৰচাৰ অভিযান তুংগত উঠিছে। ওদালগুৰি জিলাত বিজেপি দলে ১০ টা সমষ্টিৰ ভিতৰত সাতটাত প্ৰতিদ্বন্দ্বিতা কৰিছে। জিলাখনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিজেপিৰ কেইবাগৰাকীও শীৰ্ষ নেতাই ব্যাপক প্ৰচাৰ চলাই আছে। ড° শৰ্মাই কালি খালিংদুৱাৰ সমষ্টিত দলীয় প্ৰাৰ্থী অৰ্জুন দৈমাৰীৰ সমৰ্থনত পলাহগড়ত প্ৰচাৰ চলায়। তেওঁ ৰাজগড়ত নোনাই চেৰফাং সমষ্টিৰ প্ৰাৰ্থী ৰণজিৎ তাঁতিৰ হৈ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

মুখ্যমন্ত্ৰীয়ে কালি তামুলপুৰ জিলাৰ শুকলাই চেৰফাং পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী লক্ষী দাসৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। এই উপলক্ষে আয়োজিত সভাত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা তথা দলৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে।

মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি মঠনগুৰি পৰিষদীয় সমষ্টিত অনুষ্ঠিত এখন সভাত অংশ লৈ দলীয় প্ৰাৰ্থী গৌতম দাসৰ হৈ প্ৰচাৰ চলায়। বিৰোধী দল কংগ্ৰেছ, বি পি এফ আৰু ৰাইজৰ দলেও বিটিআৰৰ বিভিন্ন স্থানত নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অব্যাহত ৰাখিছে। দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈ আৰু সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে আজি ৩৫ নম্বৰ মুদৈবৰি পৰিষদীয়  সমষ্টিত প্ৰচাৰ চলায়। দলটোৱে কালি নিৰ্বাচনৰ বাবে ইস্তাহাৰো মুকলি কৰে। চিৰাং জিলাৰ ভূটীয়াপাৰাত আজি অনুষ্ঠিত ইউ পি পি এলৰ এখন নিৰ্বাচনী সভাত দলৰ প্ৰাৰ্থী ছাইখং বসুমতাৰীয়ে প্ৰচাৰ চলায়।

ইপিনে, এই নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে জিলা প্ৰশাসনসমূহে প্ৰস্তুতি অব্যাহত ৰাখিছে। তামুলপুৰ জিলাৰ বৰনগৰৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত কালি নিৰ্বাচনত নিয়োজিত পোলিং আৰু প্ৰিজাইডিং বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই নিৰ্বাচনৰ বাবে তামুলপুৰ জিলাৰ দৰঙাজুলি, নাগ্ৰীজুলি আৰু শুক্লাই চেৰফাং সমষ্টিত নিৰ্বাচনী পৰ্যৱেক্ষক হিচাপে নিযুক্ত অতুল কুমাৰ শৰ্মাই কালি সমষ্টিকেইটাৰ অন্তৰ্গত ভোটগ্ৰহণ কেন্দ্ৰসমূহ পৰিদৰ্শন কৰে। তেওঁ এই কেন্দ্ৰকেইটাত থাকিবলগীয়া ব্যৱস্থাসমূহৰ বুজ লয়। উল্লেখযোগ্য যে ২২ ছেপ্তেম্বৰত জিলাখনৰ পাঁচটা পৰিষদীয় সমষ্টিত ৩৯৫ টা কেন্দ্ৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পৰিষদীয় নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বি টি আৰৰ কেইবাখনো জিলাত প্ৰশাসনে সুৰা বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ১৪ ছেপ্তেম্বৰত উদ্বোধন কৰা নুমলীগড় শোধনাগাৰৰ বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্পৰ বাবে ইতিমধ্যে এক কোটি টকা মূল্যৰ বাঁহ শোধনাগাৰ কৰ্তৃপক্ষই ক্ৰয় কৰিছে। এই প্ৰকল্পৰ বাবে বাঁহৰ এটা অবিৰত যোগান শৃংখলা গঢ়ি তুলিবলৈ এন আৰ এল কৰ্তৃপক্ষই বিশেষ ব্যৱস্থা লৈছে। শোধনাগাৰটোৰ পৰিচালন সঞ্চালক ভাস্কৰজ্যোতি ফুকনে সংবাদমাধ্যমৰ আগত এই বিষয়ে প্ৰকাশ কৰিছে।

**বাইট (ভাস্কৰজ্যোতি ফুকন)**

উল্লেখযোগ্য যে ৫ হাজাৰ কোটি টকাৰে স্থাপন কৰা বিশ্বৰ প্ৰথম হিচাপে পৰিগণিত এই বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্পই ৰাজ্যৰ ৫০ হাজাৰ বাঁহ খেতিয়কৰ জীৱনলৈ অভূতপূৰ্ব পৰিৱৰ্তন আনিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে।

০০০০০০

কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্বখনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত পালন কৰিবলৈ লোৱা হৈছে। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিকূল বতৰকো নেওচি আজি এই পূজাৰ বাবে ব্যাপক আয়োজন কৰা হৈছে। আজি পুৱাৰে পৰা গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পূজা মণ্ডপ সমূহত বিশ্বখনিকৰক আৰাধনাৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। এই পূজাৰ লগে লগে ৰাজ্যখনত শাৰদীয় পূজাৰ পৰিৱেশৰো সূচনা হ'ব। ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, কাৰিকৰী প্ৰতিষ্ঠান, ছপাশাল

আদিত সমূহীয়াভাৱে পূজাৰ আয়োজন কৰাৰ লগতে ব্যক্তিগত ভাবেও বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত নাম প্ৰসংগ, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হ'ব।

আকাশবাণী গুৱাহাটীৰ চৌহদত আজি পৰম্পৰাগত ৰীতি-নীতিৰে বিশ্বকৰ্মা পূজা পালন কৰিবলৈ লোৱা হৈছে। ধুবুৰী জিলাত আজি উলহ-মালহেৰে বিশ্বকৰ্মা পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ বিলাসীপাৰা, গোলকগঞ্জ আৰু গৌৰীপুৰৰ কল-কাৰখানা, ব্যক্তিগত প্ৰতিষ্ঠান আদিত বৈদিক নিয়মেৰে এই পূজা পালন কৰা হ'ব। এই উপলক্ষে সমগ্ৰ জিলাখনতে উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। নলবাৰী জিলাৰো বাছ আস্থান, গেৰেজ, কল-কাৰখানা আৰু বিভিন্ন প্ৰতিষ্ঠানত আড়ম্বৰপূৰ্ণভাৱে বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন উদ্যোগ, ছপাশাল, ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰ্যালয়, বাছ আস্থান, গেৰেজ আদিত আজি পুৱাৰে পৰা বিশ্বকৰ্মা পূজা উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে।

০০০০০০

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযান সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা শনিবাৰ ২০ ছেপ্তেম্বৰৰ নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আমাৰ কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাৰ সংবাদদাতা কেইগৰাকীৰ লগতে বি টি চিৰ ভোটগ্ৰহণ কেন্দ্ৰ থকা বিশ্বনাথ জিলাৰ সংবাদদাতাগৰাকীয়েও অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই আলোচনাত সাংবাদিক অৰূপ শান্দিল্যও ষ্টুডিঅ'ৰ পৰা আমাৰ সংবাদদাতাসকলৰ সৈতে আলোচনাত ভাগ ল'ব।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। উজনি অসমৰ শ্ৰোতাসকলে মিডিয়াম ৱেভৰ ৫২৯ দশমিক ১ মিটাৰত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা, এফ এম বেণ্ডৰ ১০৩ দশমিক ৪ মেগা হাৰ্টজত আকাশবাণী যোৰহাট কেন্দ্ৰৰ পৰা ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং ৰিলে কেন্দ্ৰৰ পৰা আৰু ১০২ দশমিক ৪ মেগা হাৰ্টজত আকাশবাণী তেজপুৰ কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

ছয় জনগোষ্ঠীৰ জনজাতিকৰণ, কা বাতিল কৰা, অনুপ্ৰৱেশ আৰু বিদেশী আদেশ বাতিল কৰা, আন্তঃৰাজ্যিক পাৰপত্ৰৰ ব্যৱস্থা কৰাৰ লগতে ৰাজ্যৰ বান আৰু সীমা সমস্যা সমাধানৰ দাবীত যোৰহাটত প্ৰায় ২০ টা জাতীয় আৰু জনগোষ্ঠীয় সংগঠনে জোৰ সমদল উলিওৱাৰ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

**অসমীয়া খবৰ** কাকতে ৰাজ্যৰ আন আন জিলাৰ লগতে হোজাই জিলাতো কালি ভোটাৰ তালিকা প্ৰাক সংশোধনীৰ কাম জিলা নিৰ্বাচনী আয়োগে আৰম্ভ কৰাৰ বাতৰি প্ৰকাশ কৰিছে। ভোটাৰ তালিকা প্ৰাক সংশোধনীৰ কাম আৰম্ভ হোৱাক কেন্দ্ৰ কৰি কেতবোৰ অঞ্চলত সৃষ্টি হোৱা পৰিস্থিতিৰ এটা বাতৰি **আমাৰ অসম** কাকতে ছাৰৰ অস্ত্ৰোপচাৰ চলিছে, বাঢ়িল কংগ্ৰেছৰ উদ্বেগো শিৰোনামেৰে প্ৰকাশ কৰিছে।

২০৩০ চনৰ ভিতৰত কৃত্ৰিম বুদ্ধিমত্তাই আধিকাংশৰে চাকৰি নোহোৱা কৰিব বুলি বিশ্বৰ বিশেষজ্ঞসকলে মন্তব্য কৰিছে। ২০২৭ চনৰ ভিতৰত মানৱ সদৃশ বুদ্ধিমত্তা তথা কৃত্ৰিম সামগ্ৰিক বুদ্ধিমত্তাই পূৰ্ণতা পাব বুলিও বিশেষজ্ঞসকলে প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে এই বাতৰিক শীৰ্ষস্থান দিছে।

০০০০০০

শ্ৰোতাসকলক জনাই থওঁ, আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আয়োজিত অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতালৈ বাতৰিৰ অডিঅ’ অহা ২৪ ছেপ্তেম্বৰলৈ প্ৰেৰণ কৰিব পাৰিব। হোৱাট্‌ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত